# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-March-2026
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

--------------------------------

১। নতুন দিল্লীৰ হায়দৰাবাদ হাউছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেৰ মাজত আলোচনা অনুষ্ঠিত হয়। দুয়োখন দেশৰ মাজত কেইবাটাও বিষয় সামৰি তিনিখন চুক্তি সম্পাদিত হয়।

২। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে যুটীয়াভাৱে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণেৰে চলাই থকা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতি উদ্বেগজনক হৈ আছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীত মহিলাৰ বাবে চাৰিখন আঁচনি মুকলি কৰে।

৪। পশ্চিম এছিয়াত সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এয়াৰ ইণ্ডিয়াই বিমান চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে।

**আৰু**

৫। মধ্য প্ৰাচ্যৰ সংকটৰ পৰিপ্ৰেক্ষিতত ভাৰততো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনালৈ চাই কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক সতৰ্ক কৰি এখন পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

ভাৰত আৰু কানাডাৰ মাজত আজি জটিল খনিজ সহযোগিতা, পুনৰনবীকৰণ শক্তিৰ ব্যৱহাৰ আৰু সাংস্কৃতিক সহযোগিতাকে ধৰি কেইবাটাও বিষয় সামৰি তিনিখন চুক্তি সম্পাদিত হয়। নতুন দিল্লীৰ হায়দৰাবাদ হাউছত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা সম্পন্ন হয়। এই আলোচনাত দুয়োগৰাকী নেতাই ভাৰত-কানাডা কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন দিশৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁলোকে লগতে বাণিজ্য আৰু বিনিয়োগ, শক্তি, জটিল খনিজ, কৃষি, শিক্ষা, গৱেষণা, উদ্ভাৱন আৰু গণ সংযোগকে ধৰি বিভিন্ন বিষয়ৰ সহযোগিতা সন্দৰ্ভতো আলোচনা কৰে। কানাডাৰ প্ৰধানমন্ত্ৰী চাৰিদিনীয়া ভ্ৰমণসূচী লৈ ২৭ ফেব্ৰুৱাৰীত ভাৰতলৈ আহিছিল। এয়া হৈছে তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ। আজি পুৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে অভ্যাগত প্ৰধানমন্ত্ৰী  কাৰ্নেক সাক্ষাৎ কৰে। আজি প্ৰধানমন্ত্ৰী মোদী আৰু প্ৰধানমনন্ত্ৰী কাৰ্নে ভাৰত-কানাডা চি ই অ' মঞ্চৰ বৈঠকত উপস্থিত থাকিব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলে যুটীয়াভাৱে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণেৰে চলাই থকা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতি উদ্বেগজনক হৈ আছে। ইৰাণ আৰু দেশখনৰ সমৰ্থিত সেনা বাহিনীয়েও ইজৰাইল আৰু মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ চলাইছে। প্ৰত্যুত্তৰত ইজৰাইল আৰু আমেৰিকাৰ বাহিনীয়ে ইৰাণত নিৰন্তৰ আক্ৰমণ চলাই আছে। ব্ৰিটেইন ফ্ৰান্স আৰু জাৰ্মানীয়ে ইৰাণৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ বাবে আমেৰিকাক সহযোগ কৰিব বুলি প্ৰকাশ কৰিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইৰাণৰ শীৰ্ষ প্ৰতিৰক্ষা বিষয়া

আলী লাৰিজানিয়ে কয়, যে দেশখনে আমেৰিকাৰ সৈতে কোনো কাৰণতে বুজা-পৰা নকৰে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিয়ে কঠোৰ ভাষাৰে দেশখনৰ মুৰব্বী আলী খামেনেইৰ ওপৰত আক্ৰমণ আৰু তেওঁৰ হত্যাক গৰিহণা দিয়ে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক বে-আইনী বুলি অভিহিত কৰাৰ লগতে ইৰাণে প্ৰতিৰক্ষা হিচাপে সমূচিত প্ৰত্যুত্তৰ দিব বুলি প্ৰকাশ কৰে। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কুৱেইকত তিনিটা আমেৰিকান বাহিনীৰ সৈন্যৰ মৃত্যুৰ ক্ষতিপূৰণ আদায় কৰিব বুলিও প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ট্ৰাম্পে কয়, যে ইৰাণৰ ৯ খন যুদ্ধ জাহাজ বুৰ যোৱাৰ লগতে নৌসেনা বাহিনীৰ সদৰ কাৰ্যালয়ত বিস্তৰ ক্ষতি হৈছে। ইপিনে, ইৰাণেও আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি ইউ এ ই, কুৱেইট, বাহৰেইণকে ধৰি মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ অব্যাহত ৰাখিছে। শেহতীয়া বাতৰি মতে ইজৰাইলে বেইৰুটত কৰা আক্ৰমণত ৩১ জন লোকৰ মৃত্যু হৈছে।

ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰা তথ্য মতে ইৰাণে ইজৰাইলৰ ভূখণ্ডত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলাইছে। ইৰাণে দাবী কৰা মতে কুৱেইটত আমেৰিকাৰ এফ ফিফ্‌টিন যুঁজাৰু বিমান বিধবস্ত হৈছে। কুৱেইটত থকা আমেৰিকাৰ দূতাবাসত ইৰাণে আক্ৰমণ চলাইছে। দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰন্তৰ ক্ষেপনাস্ত্ৰৰে আক্ৰমণৰ ভাবুকিৰ সৃষ্টি হৈছে। একেদৰে ইৰাকৰ উত্তৰ অঞ্চলত বৃহৎ বিস্ফোৰণ সংঘটিত হৈছে। হিজবুল্লাৰ সূত্ৰই প্ৰকাশ কৰা মতে সংগঠনটোৱে খামেনেইৰ মৃত্যুৰ ঘটনাৰ সমুচিত প্ৰত্যুত্তৰ দিবলৈ লেবাননৰ পৰা ইজৰাইলত আক্ৰমণ চলাইছে।

ইপিনে, ইৰানৰ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ইজৰাইলৰ বেইট ছেমেচ চহৰত মৃত্যু হোৱা লোকৰ সংখ্যা ৯ লৈ বৃদ্ধি পাইছে। একেদৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰতো কালি পৰ্যন্ত তিনিজন লোকৰ মৃত্যু হোৱা বুলি ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে নিশ্চিত কৰিছে। ইৰানে ইউ এ ইক লক্ষ্য কৰি চলোৱা ১৬৫টা বেলিষ্টিক মিছাইলৰ ১৫২টা প্ৰতিহত কৰা হয় আৰু ইয়াৰে ১৩টা সাগৰত পৰে বুলি মন্ত্ৰালয়ে জনাইছে। আমেৰিকাৰ সামৰিক ঘাটি থকা কাটাৰ, বাহৰেইন, জৰ্ডান আৰু কুৱেইটেও ইৰানৰ বহুকেইটা ক্ষেপণাস্ত্ৰ প্ৰতিহত কৰা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ক্ষেপণাস্ত্ৰৰ অৱশেষসমূহে বিভিন্ন ঠাইত বিস্তৰ ক্ষতি কৰা বুলিও জানিব পৰা গৈছে। পশ্চিম এছিয়াৰ এনে অস্থিৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীত মহিলাৰ বাবে চাৰিখন আঁচনি মুকলি কৰে। ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত **দিল্লী লাখপতি কন্যা** যোজনা মুকলি কৰিব। কন্যাসকলৰ বাবে থকা পূৰ্বৰ লাদলী আঁচনিখনকে নতুনকৈ আৰু বহল পৰিসৰত **দিল্লী লাখপতি কন্যা** যোজনালৈ পৰিৱৰ্তিত কৰা হৈছে।

পূৰ্বতে এই আঁচনিৰ অধীনত চিকিৎসালয়ত জন্ম হোৱা প্ৰতিগৰাকী যোগ্য কন্যা শিশুৰ বিপৰীতে বেংকত চৰকাৰে ১১ হাজাৰকৈ ধন জমা কৰিছিল। ঘৰত জন্ম হোৱা কন্যা শিশুৰ ক্ষেত্ৰতো ১০ হাজাৰকৈ ধন দিয়া হৈছিল। একেদৰে প্ৰথম, ষষ্ঠ আৰু নৱম শ্ৰেণীৰ লগতে দশম শ্ৰেণীত উত্তীৰ্ণ ছাত্ৰীসকল তথা দ্বাদশ শ্ৰেণীৰ নামভৰ্তিৰ বাবে ৫ হাজাৰ টকাকৈ চৰকাৰৰ পৰা দিয়া হৈছিল। দিল্লীৰ বৰ্তমান মুখ্যমন্ত্ৰীয়ে পৰিৱৰ্তিত এই নতুন আঁচনিখনৰ বিষয়ে স্পষ্ট কৰি দি কয়, যে আঁচনিখনৰ অধীনত আৰ্থিক সাহায্যৰ পৰিমাণ আৰু অন্যান্য সুবিধাসমূহৰ পৰিসৰ বৃদ্ধি পাব।

০০০০০০

আফ্ৰিকাৰ দেশ ৰাৱাণ্ডাৰ বৈদেশিক পৰিক্ৰমা আৰু আন্তৰ্জাতিক সহযোগিতা বিষয়ক মন্ত্ৰী অলিভাৰ জে পি এণ্ডুহাংগিৰেহে আজি নতুন দিল্লীত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে উল্লেখ কৰে যে ৰাৱাণ্ডাৰ মন্ত্ৰীগৰাকীয়ে একাদশ ৰাইছিনা আলোচনাত উপস্থিত থাকিব। তেওঁ ভাৰত-ৰাৱাণ্ডা যৌথ আয়োগৰ বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০০

পশ্চিম এছিয়াত সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এয়াৰ ইণ্ডিয়াই বিমান চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ চৌদি আৰৱ ইজৰাইল আৰু কাটাৰ অভিমুখী সকলো বিমানৰ সেৱা বাতিল কৰা হৈছে। তদুপৰি ইউৰোপলৈ যাত্ৰা কৰিবলগীয়া কেইবাখনো বিমানৰ যাত্ৰাও বাতিল কৰা হৈছে। আনহাতে, উত্তৰ আমেৰিকা আৰু ইউৰোপলৈ বিকল্প আকাশী পথেৰে যাত্ৰা কৰিবলগীয়া বিমানসমূহৰ যাত্ৰা নিৰ্দিষ্ট সময়সূচী অনুসৰি অব্যাহত থাকিব বুলি নিৰ্দেশনাত প্ৰকাশ কৰা হৈছে।

০০০০০০

সংযুক্ত আৰৱ আমিৰ শ্বাহী আৰু জৰ্ডানৰ মাটিত ইৰানে চলোৱা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশ দুখনত থকা ইৰানৰ ৰাষ্ট্ৰদূতক সংশ্লিষ্ট দেশ দুখনৰ চৰকাৰে তলব কৰে। সংযুক্ত আৰৱ আমিৰ শ্বাহী আৰু জৰ্ডানৰ বিদেশ মন্ত্ৰালয়ে ৰাষ্ট্ৰদূতদ্বয়ক এই আক্ৰমণৰ তীব্ৰ প্ৰতিবাদ জনায়। দেশ দুখনৰ চৰকাৰে ইৰাণৰ আক্ৰমণক গৰিহণা দি এয়া সাৰ্বভৌমত্ব আৰু আন্তৰ্জাতিক আইনৰ উলংঘন বুলি মন্তব্য কৰে।

জৰ্ডানৰ ৰাজধানী আম্মানত থকা ইৰাণৰ ৰাষ্ট্ৰদূতক দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে তলব কৰি ইৰাণৰ আক্ৰমণৰ তীব্ৰ আপত্তি দৰ্শায়। সামাজিক মাধ্যমত দিয়া এটা বিবৃতিত মন্ত্ৰালয়ে প্ৰকাশ কৰে যে ইৰাণে জৰ্ডানক লক্ষ্য কৰি আক্ৰমণ চলাইছিল। জৰ্ডান চৰকাৰে এই আক্ৰমণক আন্তৰ্জাতিক আইন আৰু ৰাষ্ট্ৰসংঘৰ চনদৰ পৰিপন্থী বুলি দাবী কৰে।

আবুধাবিত সংযুক্ত আৰৱ আমিৰ শ্বাহীৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ইৰাণৰ ৰাষ্ট্ৰদূতক তলব কৰি দেশখনে কৰা আক্ৰমণৰ প্ৰতিবাদ কৰে। মন্ত্ৰালয়ে প্ৰকাশ কৰে যে ইৰাণৰ আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়া হৈছে। মন্ত্ৰালয়ে উল্লেখ কৰে যে সংযুক্ত আৰৱ আমিৰ শ্বাহীৰ ভূমিত আক্ৰমণ কৰি ইৰাণে দেশখনৰ সাৰ্বভৌমত্ব উলংঘা কৰাৰ লগতে ৰাষ্ট্ৰীয় সুৰক্ষালৈ ভাবুকি নমাই আনিছে। এই আক্ৰমণক সকলো ধৰণৰ আন্তৰ্জাতিক সিদ্ধান্ত আৰু নিয়মৰ পৰিপন্থী বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০

ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ বিৰুদ্ধে চলোৱা সামৰিক অভিযানৰ পৰিপ্ৰেক্ষিতত ভাৰততো সৰু-ডাঙৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনালৈ চাই কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক সতৰ্ক কৰি এখন পত্ৰ প্ৰেৰণ কৰিছে। বিশেষ সূত্ৰই প্ৰকাশ কৰা অনুসৰি গৃহ মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ প্ৰেৰণ কৰা এই পত্ৰৰ জৰিয়তে ইৰানৰ সমৰ্থনত হোৱা যিকোনো কাৰ্যকলাপত চকু ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। পত্ৰখনত চোৰাংচোৱাৰ তথ্য বিনিময় আৰু আইন-শৃংখলা ভংগ হ'ব পৰা কাৰ্য ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণত গুৰুত্ব দিয়া হৈছে।

০০০০০০

**সমাপ্ত**